আমি অসমৰ জনগণ

চতুৰ্থ বছৰ ● সংখ্যা ৩০০ ● গুৱাহাটী, বৃহস্পতিবাৰ
৭ ডিচেম্বৰ, ২০১৭ ঃ ২০ আঘোণ, ১৯৩৯ শক

# কাৰ দোষত বেদখল

সুদক্ষ আই এ এছ বিষয়া হিচাপে নাম কৰি দেশৰ মুখ্য নিৰ্বাচন আয়ুক্তৰ নিচিনা গুৰুত্বপূৰ্ণ পদ অলংকৃত কৰা হৰিশংকৰ ব্ৰহ্মাক অসম চৰকাৰে উচিতভাৱেই ৰাজ্যখনৰ খিলঞ্জীয়া মানুহৰ ভূমি সুৰক্ষা সমিতিৰ অধ্যক্ষ পদত নিযুক্তি দিয়ে। অসমৰ বিভিন্ন ঠাই পৰিভ্ৰমণ কৰি ব্ৰহ্মাই ৰাজ্যখনত কিদৰে ২০ লাখ বিঘা মাটিত বিভিন্ন ধৰণৰ দেশী-বিদেশী লোকে কেনেকৈ বেদখল চলাই আহিছে সেই কথা বৰ্ণনা কৰে। অসমত ইংৰাজৰ ৰাজত্ব আৰম্ভ হোৱাৰ পিছৰে পৰাই বিভিন্ন ধৰণৰ চৰকাৰী মাটিত একাংশ মুষ্টিমেয় থলুৱা বানবিধ্বস্ত লোকৰ উপৰি বৃহৎসংখ্যক সন্দেহজনক নাগৰিক, চাহ বাগিচাৰ মালিক আৰু অন্যান্য ভাৰতীয় মানুহৰ লগতে কল-কাৰখানাৰ মালিকেও বেদখল কৰি আহিছে। যিবোৰ মাটিত বেদখল চলিছে সেইবোৰ হ'ল চৰকাৰী গ্ৰেজিং আৰু সংৰক্ষিত বনাঞ্চল, নদীৰ কাষৰ নতুনকৈ পলস পৰা মাটি আৰু গাঁও অঞ্চলৰ দুৰ্বল শ্ৰেণীৰ লোকৰ মাটি। হৰিশংকৰ ব্ৰহ্মা কমিটীৰ প্ৰাথমিক হিচাপ মতে অসমৰ প্ৰায় ২০ লাখ বিঘা মাটিত চলিছে বেদখল। ব্ৰহ্মাৰ মতে চাহ বাগিচাসমূহে ইংৰাজৰ দিনতে ৯৯ বছৰৰ বাবে মাটি লীজত লৈছিল। চাহৰ বাবে লোৱা বহুতো মাটি অন্য কামতো ব্যৱহাৰ কৰা দেখা গৈছে। দৰাচলতে আমাৰ ৰাজহ বিভাগটো তলৰ মণ্ডলৰ পৰা ওপৰৰ মন্ত্ৰী-বিষয়ালৈকে এনেদৰে দুৰ্নীতিত লুতুৰি-পুতুৰি হৈ আছে যে এই বিভাগটো নিজেই বেদখলৰ জন্মদাতা বুলি ক'ব পাৰি। সাধাৰণ মানুহে নিজেই চকুৰ আগতে দেখি আহিছে কেনেদৰে অগপ চৰকাৰ প্ৰথম হওঁতেই সেই সময়ত ডেকা মন্ত্ৰীসকলে কেনেদৰে চৰকাৰী মাটি হস্তগত কৰি ফাৰ্ম হাউছ আৰু অন্যান্য কিবাকিবি নিৰ্মাণ কৰাৰ লগতে লালকিল্লাৰ দৰে বিশালকায় ভৱন খাৰঘুলি আদি ঠাইত নিৰ্মাণ কৰিলে। অসমীয়া মানুহৰ নিৰ্বুদ্ধিতাৰ বাবেই প্ৰধান ৰাজআলিৰ দুয়োকাষৰ খেতিৰ মাটিবোৰ অনা-অসমীয়া ব্যৱসায়ীয়ে পকী বেৰা দি কিছুমান কিবাকিবি কাৰখানা নিৰ্মাণ কৰিলে আৰু কিছুমানে ৰিজ'ৰ্ট খুলিলে আৰু কিছুমানে ভৱিষ্যতৰ আঁচনিৰ বাবে সংৰক্ষিত কৰি ৰাখিছে। অসমীয়া মন্ত্ৰী-মণ্ডল আদিৰ চক্ৰান্ততেই অসমৰ বহু মাটি ব্যক্তিগত ব্যৱসায়ীৰ দখললৈ গ'ল। আনহাতে বনাঞ্চলতো বন বিভাগৰ দুৰ্নীতিপৰায়ণ মানুহৰ ষড়যন্ত্ৰত বহু মাটি দেশী-বিদেশী মানুহে ব্যক্তিগত ব্যৱসায়ৰ কাৰণে দখল কৰিলে। বেদখল হ'ল এটা অপৰাধ। ইয়াত প্ৰথম অপৰাধী হ'ল মণ্ডল, পঞ্চায়তৰ বিষযববীয়া, ৰাজহ বিভাগৰ মন্ত্ৰী, বিধায়ক আৰু বিষয়া আৰু আৰক্ষী বিভাগ। কোনোবাই গোচৰ দিলেহে তেওঁলোকৰ গা লৰিব, গোচৰ নিদিলে শুই থাকিব বুলি বিদেশী ইংৰাজ চৰকাৰেই কোৱা নাছিল। আমাৰ ৰাজহ বিভাগ শুই থাকে কিয়? আমাৰ দেশৰ স্কুলীয়া পাঠ্যক্ৰমত স্বদেশপ্ৰেমৰ ওপৰত কবিতা আছে। ল'ৰাই কবিতা আওৰায় আৰু তাতে শেষ। স্বদেশপ্ৰেমৰ কবিতা আওৰোৱাবোৰেই হৈ পৰে একো একোজন নতুন মীৰজাফৰ বা বাদুলী ফুকন, বদন বৰফুকন।



## ৰাইজৰ চিঠি

পত্ৰলেখকৰ মতামতৰ বাবে সম্পাদক দায়ী নহয়

### বাণিজ্যিক ক্ষেত্ৰখনত আজিৰ যুৱ-প্ৰজন্ম

বৰ্তমান অসমৰ বহুসংখ্যক যুৱক-যুৱতী ব্যৱসায়-বাণিজ্যৰ প্ৰতিও আগ্ৰহী হৈ উঠা দেখা গৈছে। কিন্তু কিছুসংখ্যকে ব্যৱসায়ত প্ৰথম অৱস্থাত লাভৰ মুখ দেখে যদিও পিছলৈ লোকচানৰ সন্মুখীন হয় আৰু ব্যৱসায় আধাতে সামৰিবলগীয়া অৱস্থা হয়। ইয়াৰ মূল কাৰণ যদি বিশ্লেষণ কৰা যায় তেন্তে দেখা যায় যে এজন ব্যক্তিয়ে ব্যৱসায় আৰম্ভ কৰি লাভৰ মুখ দেখাৰ লগে লগে আন দহজন ব্যক্তিয়েও সেই একেধৰণৰ ব্যৱসায়েই সেই অঞ্চলতে আৰম্ভ কৰে। তেনেক্ষেত্ৰত প্ৰথমে ব্যৱসায় আৰম্ভ কৰা ব্যক্তিজনৰ ব্যৱসায়ত বাধাৰ সৃষ্টি হোৱাৰ লগতে নতুনকৈ আৰম্ভ কৰাসকলৰো ব্যৱসায়ত কোনো লাভ হোৱা দেখা নাযায়। এসময়ত পি চি অ'ৰ ব্যৱসায় অতি লাভজনক ব্যৱসায় আছিল। কিন্তু একে অঞ্চলতে বহুজনে এনে ব্যৱসায় আৰম্ভ কৰাৰ ফলত পিছলৈ লোকচানৰ সন্মুখীন হোৱা দেখা গৈছিল। অৱশ্যে মোবাইল ফোনৰ আগমনৰ ফলত বৰ্তমান পি চি অ'ৰ ব্যৱসায় একেবাৰেই কমি গ'ল। একেদৰে বৰ্তমান ই-ৰিক্সাসমূহো অসমৰ অলিয়ে-গলিয়ে দিনে দিনে বৰ্ধিত ৰূপত চলাচল কৰা দেখা গৈছে। ফলত লাভৰ সলনি ব্যৱসায়ীসকল লোকচানৰহে সন্মুখীন হোৱা দেখা গৈছে। ব্যৱসায়ৰ বাবে আগ্ৰহী যুৱক-যুৱতীসকলে অন্য ব্যক্তিৰ ব্যৱসায়ত ক্ষতি নোহোৱাকৈ নিজ নিজ ধ্যান-ধাৰণাৰে ব্যতিক্ৰমী ৰূপত ব্যৱসায় আৰম্ভ কৰিলেহে লাভৱান হ'ব। আশা কৰো, নতুনকৈ ব্যৱসায় আৰম্ভ কৰিব বিচৰা যুৱক-যুৱতীসকলে এই বিষয়টোৰ প্ৰতি গুৰুত্ব দিহে ব্যৱসায় কৰিবলৈ আগবাঢ়ি আহিব।

ড° বুলজিৎ বুঢ়াগোহাঁই
সহকাৰী অধ্যাপক, যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগ
ফোন ঃ ৯৪৩৫১-৮৮৬৩০

### মেধাৰ বাবে হওক লোকসেৱা

প্ৰশাসনীয় বিষয়াৰ আলৈ-আথানি দেখিবলৈ পোৱা আমাৰ জাতিৰে দুৰ্ভাগ্য নে তেওঁলোকৰে বেয়া দিন, বুজিবলৈ টান! চেগতে চৰকাৰলৈ ধন্যবাদ লগতে শুভ কামনা দিছোঁ এই দৌৰ আগলৈ থকাৰ। নতুন চৰকাৰৰ বেয়া দিনৰ গানৰ সুৰ তল পৰিবলৈ এয়া অসুৰৰ গীত বুলিহে বুজিম। আশাবোৰ ইতিবাচক! প্ৰশাসনৰ বৰঘৰত কি চোৰৰ দপদপনি! ইমানজনে যদি টকাৰে এই আসন লৈছে, তেন্তে ভাবক ইমানজন সৎ শিক্ষিত বঞ্চিত হৈছে। ই জাতিৰ পিছলৈ টান। আৰু যিবোৰে আসন লৈছে তেওঁলোক জন্মগতভাৱে চোৰ, কিয়নো ইতিহাসবোৰ বাতৰি পঢ়িলে বুজিব পাৰি। সাংবাদিক, ৰাজনীতি, বেপাৰী কিমানলৈ শিপাইছে এয়াও এক প্ৰমাণ। সমস্যাটো হ'ল গোটেই ডেকা বন্ধু অসমীয়া। অসমীয়াৰ এই আচৰণ! টকাৰে প্ৰশাসন যন্ত্ৰটোকে জেপত সোমোৱাৰ প্ৰতিযোগিতা। আৰু জয় কোন হয়তো জানে— বেপাৰী। আমি জাতিটোতে যে এতিয়া বেপাৰীৰ হাতত বিক্ৰী হৈছোঁ। এইবোৰ উদাহৰণ। শিক্ষিতৰ লজ্জাজনক এই ব্যৱহাৰ। সহজত এওঁলোক চোৰ। ফুটপাথৰ ভদাকাইৰ আত্মসন্মান আছে কিন্তু এওঁলোকৰ নীতিজ্ঞান নাই। টকাৰে চাকৰি লৈছে টকা উঠোৱা তেওঁলোকৰ দৃষ্টিত মুখ্য কৰ্তব্য। তেন্তে ৰাইজে বিচৰাবোৰ! সাৰি নাযাওক কোনো এজন, এওঁলোকক আমাৰ স্বাভিমানী জাতিয়ে সন্মান জনাব নোৱাৰে। কাৰণ আমি চোৰ নহয়। আৰু যদি এওঁলোকক কোনো জিলাত নিযুক্ত কৰে তেন্তে ৰাইজলৈ আহ্বান কোনেও মানি নল'ব। কাৰণ ডকাইত, অভিনেতাৰ তলত আমি সুৰক্ষিত নহয়। আমাকো নিজ প্ৰয়োজনত বিক্ৰী কৰিব পাৰে। যাৰ নিজৰ শিক্ষাৰ মূল্য নিজে দিব নাজানে কোনে দিব। বেশ্যাৰো সমাজ আছে, দেহৰ বিক্ৰীত টকা ঘটে, জীৱন যুঁজে। প্ৰতাৰণা তেওঁলোকৰ অভিমানত নাই। এই চকুৰে মোৰ সন্মান বেশ্যালৈ এই বিষয়া নামৰ চোৰকেইজনতকৈ শ্ৰেয়। মনাঘাত পাইছোঁ সেইকেইজনৰ বাবে যিদৰে কিছু নম্বৰৰ বাবে আসন নাপালে এই দুৰ্নীতিৰ বাবে। ভালদিন এই বাটেৰে আহক। দীপাৱলী মনত হওক।

—দিপাংকৰ চৌধুৰী

# প্ৰসংগ ঃ অস্তিত্বৰ সংকটত অসমীয়া জাতি

## বিশ্লেষণ



অৰুণ বৰুৱা

মানৱ সভ্যতা বিকাশৰ মহিমামণ্ডিত স্তৰে স্তৰে ৰাজতন্ত্ৰৰ অৱদান লিপিবদ্ধ হৈ আছে। সাম্প্ৰতিক সময়ত বিশ্বত গণতন্ত্ৰক যিদৰে সৰ্বাধিক জনপ্ৰিয় শাসন ব্যৱস্থা হিচাপে গ্ৰহণ কৰা হৈছে তেনেকৈ সোতৰ শতিকামানলৈকে ৰাজতন্ত্ৰকে উত্তম শাসন ব্যৱস্থা হিচাপে মানি লোৱা হৈছিল। বিশ্ব ইতিহাসৰ বুকুত একো একোটা ৰাজবংশই শ শ বছৰ ধৰি বহু যুদ্ধ-বিগ্ৰহৰ মাজেৰে শাসন কৰাৰ অনেক উদাহৰণ সিঁচৰতি হৈ আছে। কিন্তু একোটা ৰাজবংশই একেৰাহে ছশ বছৰ ধৰি ৰাজত্ব কৰাৰ উদাহৰণ সম্ভৱতঃ সমগ্ৰ বিশ্বতেই বিৰল হ'ব। অসমৰ তাই আহোমসকলেই এনে কৃতিত্বৰ দাবীদাৰ। যিটো ৰাজশক্তিয়ে ছশ বছৰ একেৰাহে গৌৰৱেৰে ৰাজত্ব কৰি অনন্য ইতিহাস ৰচি থৈ গৈছিল। ঐক্য-সম্প্ৰীতি আৰু সমন্বয়ৰ অপূৰ্ব নিদৰ্শনেৰে থলুৱা সকলো জাতি-জনগোষ্ঠীক আস্থাত লৈ ৰাজতন্ত্ৰৰ নতুন ইতিহাস নিৰ্মাণ কৰিছিল অসমত তাই আহোমসকলে। মূলতঃ তেওঁলোক দক্ষিণ-পূব এছিয়াৰ বৃহৎ তাই বা থাই গোষ্ঠীৰ অন্তৰ্গত শানসকলৰ বংশোদ্ভৱ। বৰ্তমান দক্ষিণ চীনৰ অন্তৰ্গত য়ুনান প্ৰদেশৰ মংৰিমুংৰাম অঞ্চল আছিল তেওঁলোকৰ আদি গৃহভূমি। বিশ্ব ইতিহাসৰ পৃষ্ঠা লুটিয়াই চালে দেখা পোৱা যায় যে একোটা জাতি, এখন দেশৰ বিকাশৰ অন্তৰালত বিশেষ কিছুমান ব্যক্তিৰ অৱদান লুকাই থাকে। প্ৰজন্মৰ পৰা প্ৰজন্মলৈকে তেওঁলোকৰ অৱদানে দেশ-জাতি-সমাজক মহীয়ান কৰি ৰাখে। তেওঁলোকৰ অৱদানৰ আৰ্হিত জাতিটোৰ ভাষা-সাহিত্য-সংস্কৃতি-ৰাজনীতিৰ বৰভেটি প্ৰতিষ্ঠা হয়। সেইদৰে আমি ক'ব পাৰো অসমত ছশ বছৰীয়া আহোম ৰাজত্বৰ পাতনি মেলা ছ্যুকাফাৰ অৱদান আৰু দৃষ্টিভংগীৰ প্ৰাসংগিকতা জাতিটোৰ বাবে চিৰপ্ৰবাহমান হৈ আছে।

ছ্যুকাফাৰ অসম আগমন বৰ সহজ নাছিল। ই এক ঐতিহাসিক ঘটনা আছিল। আজিৰ পৰা প্ৰায় আঠশ বছৰৰ পূৰ্বে অসমত আহোম ৰাজ্য প্ৰতিষ্ঠা কৰিছিল মাওলুঙৰ পৰা অহা এইজন তাই যুৱকে। অৱশ্যে যুৱকজনৰ অসম আগমনৰ অন্তৰালত ইতিহাসবিদসকলে ভিন্ন কাৰণ আগবঢ়াইছে। কোনোৱে ক'ব খোজে ছ্যুকাফাই সিংহাসনজনিত পাৰিবাৰিক সংঘাতৰ বাবে নিজ ৰাজ্য মাওলুঙক স-সৈন্যে ত্যাগ কৰিবলগীয়া হৈছিল। আকৌ আনসকলে ক'ব বিচাৰে যে মাওলুঙৰ ৰজা ছুখানফাৰ লগত হোৱা ৰাজ্য বিস্তাৰ সম্পৰ্কীয় বিবাদৰ বাবেহে তেওঁ নিজ ৰাজ্য এৰি আহিবলৈ বাধ্যত পৰিছিল। অৱশ্যে ছ্যুকাফাৰ গৃহভূমি সম্পৰ্কে একাধিক তথ্য পোৱা যায় যদিও প্ৰায়বোৰ ইতিহাসবিদে মত প্ৰকাশ কৰা দেখা যায় যে ছ্যুকাফাই ১২১৫ খ্ৰীঃত এখন নুতুন ৰাজ্যৰ সন্ধানত 'মাওলুং' ৰাজ্য ত্যাগ কৰিয়েই পশ্চিমলৈ আগুৱাই আহে। এইদৰে ছ্যুকাফা আগুৱাই আহোতে তেওঁৰ লগত ন হাজাৰ সৈনিক, তিনিগৰাকী পত্নী, বুঢ়াগোহাঁই, বৰগোহাঁইকে ধৰি ১৫জন সম্ভ্ৰান্ত বংশীয় লোক, এহাল হাতী, এজন হাতী মাউত আৰু তিনিশ ঘোঁৰা লগত হৈ আনিছিল বুলি তথ্য পোৱা যায়। আগুৱাই অহাৰ পথত ছ্যুকাফাই মুংকং বা নৰাৰাজ্যত কিছুদিন থাকি সেই ৰাজ্যৰ পৰা 'শ্যান' ৰাজবংশৰ উপাস্য দেৱতা চোমদেৱৰ মূৰ্তি হাত কৰি লয় (তাই সাঁচিপতীয়া পুথিত উল্লেখ থকা অনুসৰি এনায়েকেহে ছ্যু-কা-ফাক দেৱ বিগ্ৰহ চোমদেওৰ মূৰ্তিটো লগত দি পঠাইছিল)।

আনহাতে ছ্যুকাফাই হুকং উপত্যকাৰ পৰা পাটকাই পৰ্বতমালাৰ ফালে অগ্ৰসৰ হওঁতে পৰ্বতীয়া গাঁওবোৰ দমন কৰি আৰু সিপাৰৰ নগাজাতিসকলৰ লগত বহুতো যুঁজ-বাগৰ কৰি আহিবলগীয়া হৈছিল। এনেকৈ ছ্যুকাফাই হুকং উপত্যকাৰ পৰা পাটকাই পৰ্বতমালাৰ পাদদেশ পৰ্যন্ত বিস্তৃত অঞ্চলত বাস কৰা জাতিবোৰক দমন কৰি আহোঁতে তেৰ বছৰ সময় লাগিছিল। অৱশেষত ছ্যুকাফাই আঘোণ মাহৰ হিমে ধোৱা এক পৱিত্ৰ ক্ষণত ১২২৮ খ্ৰীঃত ব্ৰহ্মপুত্ৰৰ এই বিশাল উপত্যকাত আহি উপস্থিত হয়হি। ১২২৮ৰ পৰা ১৮২৬ খ্ৰীঃলৈ ছশ বছৰ কাল এই সুবিশাল এলেকাত সুশৃংখলিতভাৱে শাসন কৰি বিশ্ব ইতিহাসত এক সুকীয়া মৰ্যাদা প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। সুদূৰ মাওলুং ৰাজ্যৰ পৰা বহুতো কঠিন প্ৰত্যাহ্বানৰ পথ অতিক্ৰম কৰি তাই জাতিৰ নিজস্ব স্বকীয়তাৰে সৌমাৰত উপস্থিত হৈ ইয়াংচিকিয়াং আৰু হোৱাংহো সভ্যতা-সংস্কৃতিৰ অপূৰ্ব সংমিশ্ৰণেৰে বিস্তিত বৰলুইতৰ পাৰত বৃহৎ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ সোণোৱালী ইতিহাস সূচনা কৰে। এই মহান অসমীয়াজনে অসমত বাস কৰা কোনো জাতি-জনগোষ্ঠীকে অপমান কৰা নাছিল। সকলোকে একতাৰ ডোলেৰে বান্ধি বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত অগ্ৰসৰ হৈছিল। তেওঁ স্থানীয় জনজাতিসকলৰ লগত বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি তুলিছিল। তেওঁলোকৰ ভাষা, কৃষ্টি আৰু ধৰ্মীয় আচাৰ-অনুষ্ঠানক আদৰ-সন্মান যাচিছিল। স্থানীয় অধিবাসীসকলৰ লগত বৈবাহিক সম্পৰ্ক স্থাপনেৰে সহজ-সৰল জীৱন যাপন কৰিছিল। ছ্যুকাফাই দেখিছিল যে অসমত ভিন ভিন শাসক গোষ্ঠীৰ মাজত কোনো ৰাজনৈতিক ঐক্য নাছিল। সেয়ে ৰাজনৈতিক দূৰদৃষ্টিসম্পন্ন ছ্যুকাফাই সাত ৰাজ সামৰি এক ৰাজ কৰি বৃহৎ অসম আৰু অসমীয়া জাতি গঠন কৰিব বিচাৰিছিল।

তেওঁ একতা আৰু সংহতিৰ শিকলিৰে সকলো জাতি-জনগোষ্ঠীৰ মাজত সমন্বয় ঘটাইছিল। উল্লেখ্য যে ছ্যুকাফা অহাৰ পূৰ্বে সমগ্ৰ ব্ৰহ্মপুত্ৰৰ উপত্যকা জুৰি অসম নামৰ কোনো ৰাজ্য নাছিল। সেই সময়ত ক্ৰমে চুতীয়া, মৰাণ, বৰাহী, কছাৰী, বৰভূঞা, দফলা আৰু দৰঙীকে ধৰি সাতখন ক্ষুদ্ৰ ক্ষুদ্ৰ জনজাতীয় ৰাজ্য আছিল। তেওঁ সকলোকে একত্ৰিত কৰি বৰ অসমৰ ভেটি প্ৰতিষ্ঠা কৰিছিল। তেওঁৰ শক্তিশালী ৰাজনৈতিক আৰু সাংগঠনিক প্ৰতিভা আৰু অমায়িক ব্যৱহাৰৰ বাবে থলুৱা লোকসকল তেওঁৰ প্ৰতি গভীৰ শ্ৰদ্ধাশীল হৈ পৰিছিল। ৰাজনৈতিকভাৱে অতি বিচক্ষণ আৰু দূৰদৰ্শী ছ্যুকাফাই বিভিন্ন কৌশলেৰে সকলো পক্ষৰ সৈতে মিত্ৰতা অথবা যুদ্ধৰ জৰিয়তে বৃহৎ অসম আৰু অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ পটভূমি সম্ভৱ কৰি তুলিছিল। তেওঁ জনজাতিসকলৰ মাজে মাজে ঘূৰি ফুৰি তেওঁলোকৰ ভাষা-কৃষ্টি-সংস্কৃতি আয়ত্ত কৰি সকলোকে সন্মান কৰিছিল আৰু সকলোৰে ধৰ্মবিশ্বাসক শ্ৰদ্ধা কৰি আপোন হোৱাৰ প্ৰয়াস কৰিছিল। ছ্যুকাফাৰ এনে বহল আৰু উদাৰ দৃষ্টিভংগীৰ প্ৰতি সকলো স্থানীয় বাসিন্দাই সহযোগিতা আগবঢ়াইছিল। তদুপৰি তেওঁ আছিল এজন নিপুণ সংগঠক, সাহসী যোদ্ধা, সুদক্ষ প্ৰশাসক আৰু মনত আছিল প্ৰচণ্ড বুদ্ধিমত্তা- যিয়ে তেওঁক কষ্টসহিষ্ণু কৰি তুলিছিল। এইদৰেই ছ্যুকাফা আৰু তেওঁৰ উত্তৰসূৰীসকলৰ ঐকান্তিক প্ৰচেষ্টাৰ ফলশ্ৰুতিতে সুজলা-সুফলা শস্য-শ্যামলা অসম আৰু ভাষা-সাহিত্য-সংস্কৃতিৰে সমৃদ্ধ অসমীয়া জাতি গঠন কৰিব পৰিছিল। এনেকৈয়ে ১২২৮ৰ পৰা ১২৬৮ খ্ৰীঃলৈ ৪০ বছৰ কাল সুখ্যাতিৰে শাসন কৰি আহোম ৰাজ্যৰ ইতিহাস প্ৰতিষ্ঠা কৰিছিল। সেয়ে বৰ অসমৰ পিতৃপুৰুষ ছ্যুকাফাৰ ওচৰত অসমীয়া জাতি চিৰঋণী হোৱা উচিত। অসমত ছ্যুকাফাই প্ৰতিষ্ঠা কৰা ছশ বছৰীয়া শাসনৰ গৌৰৱময় অধ্যায় ইতিহাসৰ পাতে পাতে জিলিকি আছে।

ত্ৰয়োদশ শতিকাতে আধুনিক মনৰ ছ্যুকাফাই ভাষা-সাহিত্য-সংস্কৃতিৰে সমৃদ্ধ আহোম ৰাজ্য গঠন কৰিছিল। সেইদৰে পঞ্চদশ শতিকাত শংকৰদেৱে নৱ-বৈষ্ণৱ ধৰ্মৰ ডোলেৰে সকলোকে একতাৰে বান্ধি সমন্বয়ৰ অনন্য সুন্দৰ চানেকি দেখুৱাই যাবলৈ সক্ষম হৈছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয় আমি আজি সেইসকল মহান দিক্‌দৰ্শক অসমীয়াৰ আদৰ্শক আগুৱাই নিয়াত উদ্বেগজনকভাৱে ব্যৰ্থ হৈছোঁ। ছ্যুকাফাই বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ত গঢ়ি তুলিব খোজা বৃহৎ অসমীয়া জাতিটোৰ মূল্যবোধত আজি ক'ৰবাত ঘুণে ধৰিছে। তাহানিৰ বৃহৎ অসমখন খণ্ডিত হৈ ইতিমধ্যে সাতখন পৃথক ৰাজ্যৰ সৃষ্টি হৈছে। পুনৰ অৱশিষ্ট অসমখনকো ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি-জনগোষ্ঠীসমূহে স্বগোষ্ঠীয় স্বতন্ত্ৰতা বিচৰাৰ অজুহাতত খণ্ড খণ্ড কৰাৰ বাবে উঠিপৰি লাগিছে। ক্ৰমান্বয়ে জাতি-জনগোষ্ঠীসমূহৰ মাজত মানসিক ব্যৱধান বৃদ্ধি পাই আহিছে। সমন্বয়ৰ বান্ধোনডাল নিশকতীয়া হৈছে। সম্প্ৰতি সৰ্বদিশতে নেতৃত্বৰ শূন্যতাই জাতিটোৰ ভৱিষ্যতলৈ অশনি সংকেত নমাই আনিছে। বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ত ছ্যুকাফাই প্ৰতিষ্ঠা কৰা অসমখনত ভৱিষ্যতে অসমীয়াৰ নামত কোন থাকিবগৈ সেয়া এতিয়া উত্তৰবিহীন প্ৰশ্নলৈ গতি কৰিছে। নেতৃত্বত থকাসকলৰ কেতবোৰ ভুল নীতিৰ ফলতেই বৰ্তমানৰ অসমখনত জাত-পাত-ধৰ্মৰ নামত চলা ৰাজনীতিয়ে এক জটিল সন্ধিক্ষণলৈ ঠেলি দিছে। বৰ্তমান বিভিন্ন জাতি-জনগোষ্ঠীসমূহে বৃহৎ অসমীয়া জাতিৰ অংশ বুলি পৰিচয় দিয়াৰ পৰিৱৰ্তে পৃথক জাতিগত পৰিচয় দিহে নিৰাপদ অনুভৱ কৰা হ'ল। অসমীয়া জাতিৰ কাৰণে ইয়াতকৈ দুখৰ বিষয় কি হ'ব পাৰে! বৰ্তমান ভাঙোনমুখী অসমীয়া জাতি-জনগোষ্ঠীৰ মানুহখিনিক পুনৰ শক্তিশালী ৰূপত সংগঠিত কৰিবলৈ এজন নতুন ছ্যুকাফাৰ বৰকৈ প্ৰাংগিক হৈছে। যিয়ে জাতি-ধৰ্মৰ ঊৰ্ধৰ্বত গৈ বৃহৎ অসমীয়া জাতিক ভাঙোনমুখিতাৰ পৰা ৰক্ষা কৰিব পাৰিব। ছ্যুকাফাৰ অসমখনত আজি হিংসা-সন্ত্ৰাসৰ দাৱানলে বাৰে বাৰে মানৱতাৰ বধ্যভূমিলৈ পৰ্যৱসিত কৰিছে। নেতা বহুত হ'ল, কিন্তু উপযুক্ত নেতৃত্বৰ সংকটে জাতিটোক চৌদিশে বিধ্বস্ত কৰি আনিছে। যি বিদেশী ছ্যুকাফাই বহল আৰু উদাৰ দৃষ্টিভংগীৰে এখন অচিনাকি দেশত আহি ইয়াৰ ভিন্ন অধিবাসীসকলক লৈ এখন সমৃদ্ধিশালী অসম প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল, জাতি-জনগোষ্ঠীৰ প্ৰতি শ্ৰদ্ধাশীল হৈ সকলোৰে মাজত হৃদয়ৰ পৰা হৃদয়লৈ সমন্বয়ৰ সাঁকো গঢ়িছিল, তেওঁৰ ৰাজনৈতিক দূৰদৰ্শিতা আমাৰ তথাকথিত নেতাসকলে গ্ৰহণ কৰা হ'লে বৃহৎ অসমখন কাহানিবাই থানবান হোৱাৰ পৰা ৰক্ষা কৰিব পৰা গ'লহেঁতেন। কিন্তু অসমীয়া জাতিৰ কাৰণেই দুৰ্ভাগ্য এই যে আমাৰ ৰাজনৈতিক নেতাকসকলে অসমীয়া জাতিৰ অন্যতম এই পিতামহজনৰ আদৰ্শক উপলব্ধিয়েই কৰিব পৰা নাই। ক্ষমতাৰ ৰাগিত মতলীয়া এইচাম নেতাই জাতীয় জীৱনত ঐক্য-সংহতি প্ৰতিষ্ঠাৰ কাৰণে মুঠেই দায়বদ্ধ নহয়। সেইখন অসমত আজিৰ নেতৃত্বই ক্ষুদ্ৰ ক্ষুদ্ৰ ন্যস্ত স্বাৰ্থত নিমজ্জিত হৈ জাতিটোক ভাগ ভাগ কৰি ধ্বংস কৰাত হাত উজান দিছে। এনেকৈ চলি থাকিলে অসমীয়া জাতি বুলি এদিন ইতিহাসৰ পাততহে ৰ'বগৈ। অৱশ্যে এতিয়াও ছ্যুকাফা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত আমি আশানুৰূপ ধৰণে প্ৰচাৰ-প্ৰসাৰ কৰিব পৰা নাই। এয়া নিশ্চয় অসমীয়া জাতিৰ বাবেই পৰিতাপৰ বিষয়। আমি অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগস্বৰূপ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত থকা তিক্ততাপূৰ্ণ ভেদভাব পৰিহাৰ কৰি ছ্যুকাফা আৰু শংকৰ-আজানে দেখুৱাই যোৱা আদৰ্শেৰে ঐক্যবদ্ধ হৈ সমৃদ্ধিশালী অসমীয়া জাতিটোক জীয়াই ৰখাটো প্ৰতিজন অসমীয়াৰে দায়িত্ব।

লেখকৰ ঠিকনা —
সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান
বিভাগ, মৰাণ মহিলা মহাবিদ্যালয়
ফোন ঃ ৯৯৫৪৯-৬০৫৪৩

# কোন দিশে ধাৱমান অসমীয়া ভাষা

মল্লিকা কলিতা

বুৰঞ্জী লেখক এডৱাৰ্ড ব্ৰাউনৰ মতে, 'একোটা ভাষাৰ মৃত্যু হেনো একোটা জাতিৰ মৃত্যুৰে আগজাননী। ভাষা হ'ল এখন দেশৰ, এটা জাতিৰ প্ৰাণ তথা পৰিচয়। ভাষাক বাদ দি মানৱ জাতিৰ অস্তিত্ব কল্পনা কৰা সপোনৰো অগোচৰ। কবি গ্যেটেই কৈছিল— 'যি মানুহে নিজৰ মাতৃভাষা ভালকৈ জানিব বা শিকিব নোৱাৰে, তেওঁ আন কোনো ভাষাকে ভালকৈ জানিব বা শিকিব নোৱাৰে'। শিক্ষাৰ মূল লক্ষ্য-উদ্দেশ্য আৰু সেই উদ্দেশ্যক সুদূৰপ্ৰসাৰী কৰাৰ ক্ষেত্ৰত ভাষাৰ অৱদান অপৰিসীম। সভ্য সমাজত ভাষাই হ'ল মানুহৰ ভাগ্যস্বৰূপ। মানুহৰ সাংস্কৃতিক বিকাশ সম্পূৰ্ণৰূপে ভাষাৰ ওপৰত নিৰ্ভৰশীল। ভাষাই কেৱল ভাব প্ৰকাশেই নকৰে, ভাব-চিন্তাৰ জন্মও দিয়ে ভাষাইহে। দাৰ্শনিক উইৎগেনষ্টিনে প্ৰকাশ কৰিছে— My language is my Universe. অসমীয়া ভাষা জ্ঞানৰ মান কিয় দ্ৰুতগতিত তললৈ নামি আহিছে সেয়াহে বিচাৰ্য বিষয় বৰ্তমান। অসমীয়া ভাষা অনা-অসমীয়াৰ মুখত ভুলকৈ শুনা গ'লে বেয়া নালাগে; কিন্তু অসমীয়াই দহোটা ভুল শব্দৰে, ইংৰাজী, হিন্দী, বাংলা, পাঞ্জাবী সকলো মিহলাই বাক্য এটা ক'লে বিহ খোৱাৰ আৰু প্ৰয়োজন নহয়। এনে জাতিৰ পৰা সৃষ্টিমূলক কাম-কাজ, সাহিত্যকৰ্ম আশা কৰা ভুল। কথিত ভাষাত আজি অজস্ৰ ইংৰাজী শব্দইস যেনে — স্কুল, কলেজ, কাপ-প্লেট, বাছ, বেগ আদিয়ে খোপনি পুতি বহি ল'লে। আধুনিক ভোগবাদে জন্ম দিছে বস্তুবাদিতাৰ। সকলোকে ঘৰ লাগে, গাড়ী লাগে, দামী অলংকাৰ-বেংকত মোটা জমা ধনৰাশি, পদমৰ্যাদা লাগে। বিলাসবহুল জীৱনৰ প্ৰতি লালায়িত প্ৰায়খিনিয়ে। সৰুৰে পৰা সেয়ে পিতৃ-মাতৃয়ে নিজ সন্তানক ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ প্ৰতি মোহাচ্ছন্ন কৰায়। প্ৰতিযোগিতাৰ দৌৰত টিকি থাকিবলৈ ইংৰাজী যে মুখ্যত তেওঁলোকৰ মানত। এচামৰ ভুল ধাৰণা— অসমীয়া শিকিলে কি হ'ব, নাইবা অসমীয়া মাধ্যমত পঢ়িলে সন্তানৰ ভৱিষ্যৎ সুৰক্ষিত নহ'ব। আমি ৰাস্তা-ঘাটবোৰ বহলাই গৈ আছোঁ, কিন্তু মনৰ আকাশখন বহলাব পাৰিছোঁনে বাৰু? অভিভাৱকে সন্তানক পৈতৃক গাঁওখনৰ বোকা-মাটি, ধাননি পথাৰখনৰ নান্দনিক দৃশ্যৰ পৰা আঁতৰাই বিদেশমুখী কৰিছে। সুদূৰ আমেৰিকাৰ পৰা আহি নাথন ব্ৰাউন, ব্ৰন্সনে অসমীয়া ভাষা উদ্ধাৰ কৰি বহু কষ্টৰে আমাক আমাৰ মাতৃভাষা ফিৰাই দিছিল। ফৰাচী, জাপানীসকলে নিজ ভাষা-সংস্কৃতিক লৈয়েই বিশ্বত বিজয়ধ্বজা উৰুৱাইছে। এটাতকৈ অধিক ভাষা জনাটো নিশ্চয়কৈ দোষৰ বিষয় হ'ব নোৱাৰে। কিন্তু আন ভাষা আয়ত্ত কৰিবলৈ যাওঁতে মাতৃভাষাৰ বিকৃতকৰণৰ সুস্থ ব্যক্তি মাত্ৰেই বিৰুদ্ধাচৰণ কৰিব। ভাষাক সন্মান কৰিব নোৱাৰিলেও ধ্বংস কৰাৰ অধিকাৰ কাৰো নাই। কোনো অসমীয়াই ভুলকৈ হিন্দী বা ইংৰাজী ভাষা কোৱাটো লজ্জাৰ কথা নহয়, কিন্তু ভুল মাতৃভাষা কোৱাটো অপৰাধ। হোটেলৰ কাৰিকৰ, আলধৰা ল'ৰা, বাছৰ হেণ্ডিমেন আদিয়ে যেতিয়া 'ভাত এটা দে', 'চাহ দুটা দি যা' বুলি কয় আমিও অনুৰূপ ধৰণে কিয় ক'বলৈ যাব লাগে? 'তোমাৰ বাবে ৰখি থাকিলোঁ', 'ক'ত যোৱা?', 'নগাঁৱত যাওঁ', 'নলবাৰীত যাওঁ' বোলাতকৈ শুদ্ধকৈ ইংৰাজী কোৱাই শ্ৰেয়। মাতৃভাষা অসমীয়াক মহাপ্ৰয়াণৰ দিশে ধাৱমান কৰোৱাৰ অভিযোগত আমি সকলোৱে কম-বেছি পৰিমাণে অভিযুক্ত আজি। এফ এম ৰেডিঅ', আকাশবাণী কেন্দ্ৰ, বৈদ্যুতিন মাধ্যমৰ ঘোষক-ঘোষিকাই অশুদ্ধ হিন্দী বা বাংলা ভাষা কোৱা শুনিবলৈ আমি কাহানিও নাপাওঁ। দূৰদৰ্শনৰ ব্যক্তিগত অসমীয়া বাতৰি পৰিৱেশন কেন্দ্ৰৰ বাতৰি পঢ়োতেই ৭০% ইংৰাজী শব্দ ব্যৱহাৰ কৰা দেখিবলৈ পোৱা যায়। অন্ততঃ নিজৰ ভাষাৰ প্ৰতি আনুগত্য ৰাখিব লাগিব। অলপতে এটি সাক্ষাৎকাৰ পঢ়ি জানিবলৈ পাইছিলো যে মেক্সিকোত সকলোৱে স্পেনিছ কয়, গতিকে সেই ভাষাটো তাত সকলোৱে বাধ্যতামূলকভাৱে শিকে। তাত তেওঁলোকে ইংৰাজী জানিলেও নকয়, নিজা ভাষাটোহে কয়। আবু ধাবি, মালয়ছিয়াতেই হওক তেওঁলোকৰ নিজৰ ভাষা নিয়ন্ত্ৰণৰ এখন চৰকাৰী অথৰিটী আছে। আমাৰ অসমীয়া বাতৰিকাকত, দূৰদৰ্শনৰ ব্যক্তিগত বাতৰি প্ৰতিষ্ঠানসমূহে যাৰ যি মন যায় তেনেকৈয়ে লিখে। ভাষাটো শুদ্ধকৈ ব্যৱহাৰ কৰিবলৈ সেই দেশবোৰত কিন্তু পুলিচৰ নিচিনাকৈ ভাষা নিয়ন্ত্ৰণৰ এটা বাহিনী থাকে। ছাইনব'ৰ্ডেই হওক নাইবা বাতৰিকাকত কিম্বা দূৰদৰ্শনৰ ঘোষক-ঘোষিকাই হওক, সকলোৰে ওপৰত তেওঁলোকে নিয়ন্ত্ৰণ কৰি থাকে, ভুলটো শুধৰাই দিয়ে। আৰবী লোকে কেতিয়াও কম্পিউটাৰক কম্পিউটাৰ বুলি নকয়, তেওঁলোকে তাৰ প্ৰতিশব্দ উলিয়াই লৈছে আৰু তাক নিজ ভাষাত ব্যৱহাৰ কৰিছে। ন ন প্ৰযুক্তিবিদ্যা ওলোৱাৰ লগে লগে নিতৌ ন ন শব্দ আমি পাইছোহঁক। কিন্তু আমি আমাৰ ভাষাত সেই শব্দবোৰৰ প্ৰতিশব্দ সৃষ্টি কৰি ব্যৱহাৰ কৰিলেহে অসমীয়া ভাষা আৰু চহকী হ'ব। উদাহৰণ স্বৰূপে প্ৰশান্ত মহাসাগৰ, ভূমধ্য সাগৰ, বিদ্যুৎ, বিজুলীচাকি আদি বহুত ধুনীয়া ধুনীয়া অসমীয়া প্ৰতিশব্দ ওলাইছিল এটা সময়ত। বৰ্তমান আমাৰ ভাষাটোক সবল নেতৃত্বৰে আগবঢ়াই নিবলৈ কোনো অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তিবিশেষ নোহোৱাটোৱে কি সূচাইছে আমি চিন্তা কৰিবৰ হ'ল। কোটি কোটি টকা খৰচ কৰা হয় 'সাহিত্য সভা'ৰ নামত। কিন্তু দুৰ্ভাগ্যজনক যে বৰ্তমান সময়ত সেই সভাখন ক্ষমতাৰ ৰাগিত মত্ত এচামৰ আঙুলিৰ ঠাঁৰতহে নাচে। অসমীয়া লোক কিতাপ পঢ়া লোক। হিউৱেন চাঙে কামৰূপলৈ আহি ৬৪১ খ্ৰীঃত এই কথা উনুকিয়াই গৈছে। কোনো এজন মিছনেৰীয়ে কৈ থৈ গৈছিল যে যেতিয়ালৈকে ব্ৰহ্মপুত্ৰ নৈ বৈ থাকিব তেতিয়ালৈকে অসমীয়া ভাষা থাকিবই। ভাষাৰ নগ্ন ৰূপ সচেতন ব্যক্তি মাত্ৰেই নকৰিব নিশ্চয়কৈ।

# ফাট মেলা বসুমতী পাতালে লুকাওঁ

অনামিকা চলিহা

অৰ্ধআকাশ বুলি পৰিচিত নাৰী জাতিক যে যুগে যুগে ব্যৱহাৰ কৰি অহা হৈছে, সেয়া আকৌ এবাৰ প্ৰমাণিত হ'ল। সেই ব্যৱহাৰ লাগিলে সামাজিক, ৰাজনৈতিক, পাৰিবাৰিক নাইবা আন যিকোনো কাৰণতেই নহওক কিয়, সদায়েই নাৰী জাতিয়েই ভুক্তভোগী হ'ব লাগে। নাৰী জাতিক প্ৰাপ্য সন্মান কেতিয়াও দিয়া হোৱা নাই অতীতত, বৰ্তমানো দিয়া নাই আৰু ভৱিষ্যতেও যে দিব আশা নাই। সমাজৰ ভয়ত কুন্তীয়ে নিজৰ সন্তানক নদীত উটুৱাই দিছিল, স্বীকৃতিও মৃত্যুৰ পিছতহে দিছিল। দ্ৰৌপদীৰ ইচ্ছা-অনিচ্ছাক গুৰুত্ব নিদিয়াকৈ পঞ্চপতিৰ পত্নী হ'বলৈ বাধ্য কৰোৱা হ'ল। অকল সেয়াই নহয়, পাশা খেলৰ পণ হিচাপে লগাবলৈও কুণ্ঠাবোধ নকৰিলে। লোকনিন্দাৰ ভয়ত ৰামে সীতাৰ দৰে সতী-সাধ্বী, পতিব্ৰতা নাৰীকো অগ্নিপৰীক্ষা দিবলৈ বাধ্য কৰালে। আৰু বহুত উদাহৰণ আছে। এইসকল অসাধাৰণ নাৰীৰেই এই অৱস্থা, তেনেস্থলত আনবোৰ সাধাৰণ নাৰীৰ কথা বাদেই দিলো।

যুদ্ধ আদি পৰিস্থিতিত নাৰী জাতি আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হয়। তেওঁলোকক শাৰীৰিক আৰু মানসিক অত্যাচাৰ কৰা হয়। ইয়াৰ বাবে দূৰলৈ যাব নেলাগে। আমাৰ অসম মুলুকতে দেখাৰ উদাহৰণ। আহোমৰ শাসন কালত গদাপাণিৰ সন্ধান উলিয়াবলৈ ল'ৰাৰজা চুলিকফাই পত্নী জয়মতীৰ ওপৰত কৰা শাৰীৰিক অত্যাচাৰৰ কথা আমি সকলোৱে বুৰঞ্জীৰ পাতত পঢ়িছো। আনকি মানৰ অসম আক্ৰমণৰ সময়ত বহু নাৰীৰ সন্মান নষ্ট হোৱাৰ কথা বুৰঞ্জীৰ পাতে পাতে লিপিবদ্ধ। আনকি আলফাৰ সন্ধানত সামৰিক অভিযান চলোৱাৰ সময়তো নাৰীৰ সন্মান খৰ্ব হোৱাৰ কথা শুনিবলৈ পোৱা যায়। এতিয়াও বিভিন্ন কাৰণত নাৰীৰ অধিকাৰ খৰ্ব হৈ আহিছে। অকলশৰে ওলাই যোৱা নাৰীগৰাকী উভতি আহোতে ধৰ্ষিতা হৈ ঘূৰি আহিছে। কণমানি শিশুও সেইসকল কামাতুৰ পুৰুষৰ হাতৰ পৰা সাৰি যোৱা নাই। কন্যা সন্তান হোৱা বাবেই মাতৃৰ গৰ্ভতেই ভ্ৰূণ হত্যা কৰা হৈছে। সমাজখনে, সমাজত বাস কৰা পুৰুষে নাৰী এগৰাকীক কেতিয়াও তেওঁৰ দৰেই এগৰাকী তেজ-মঙহৰ মানুহ বুলি গণ্য কৰা নাই। শৈশৱৰ পৰাই নাৰীক এগৰাকী শাৰীৰিকভাৱে দুৰ্বল প্ৰাণী ৰূপে ভাবিবলৈ বাধ্য কৰোৱা হয়। বিভিন্ন বাধ্য-বাধ্যকতা তেওঁলোকৰ ক্ষেত্ৰত। ডাঙৰ হৈ অহাৰ লগে লগে সেই বাধ্য-বাধকতা আৰু বাঢ়ি যায়— যিখিনি এজন পুৰুষৰ ক্ষেত্ৰত দেখা নাযায়। অবৈধ মাতৃত্বৰ বোজা সদায়েই নাৰীয়েই বহন কৰিব লগা হয়। সেইক্ষেত্ৰত সদায়েই নাৰীগৰাকীক দোষ দিয়া হয়। বৈধব্যৰ যন্ত্ৰণাও নাৰীগৰাকীৰ ক্ষেত্ৰতহে প্ৰযোজ্য। যদি নাৰীগৰাকী দ্বিতীয় বিবাহতো সোমায়, তেতিয়াও তেওঁক দুঃচৰিত্ৰা আদি বিভিন্ন ধৰণে উপহাস কৰা হয়। কিন্তু স্বামীৰ মৃত্যুৰ পিছত যদি অকলশৰীয়া এগৰাকী নাৰী দ্বিতীয় বিবাহত বহে তেওঁৰ দোষ ক'ত? তেৰোঁতো এগৰাকী তেজ-মঙহৰে মানুহ। বৈধব্যৰ যন্ত্ৰণা কেনে ভয়াৱহ সেয়া ভুক্তভোগীয়েহে জানে। পিছে নাৰী এগৰাকীয়ে কিমান সন্তান জন্ম দিব লাগে, তাকো ধৰ্ম ৰক্ষাৰ নামত, সিয়ে নাৰীৰ প্ৰতি অনুভূতিপ্ৰৱণ মানুহৰ চকু কপালত উঠাইছে। বিগত বৰ্ষত বিজেপি সাংসদ আৰু নেতা সাক্ষী মহাৰাজ, সাধ্বী প্ৰাচী আৰু শ্যামল গোস্বামীয়ে হিন্দু নাৰীক অতিকমেও চাৰিটা সন্তান জন্ম দি হিন্দুৰ সংখ্যা বৃদ্ধি কৰিবলৈ আহ্বান কৰিছিল, যাতে মুছলমানক ৰোধ কৰিব পৰা যায়। কথাবোৰ ভাবিলে আচৰিত লাগে। ই কেনে কথা? ধৰ্মৰ নামত ই কেনে নিকৃষ্ট ৰাজনীতি? ভৱিষ্যতৰ উত্তৰাধিকাৰী বহন কৰা নাৰীৰ একান্ত ব্যক্তিগত কথাত মাত মতাৰ অধিকাৰ তেওঁলোকক কোনে দিলে? তেওঁলোকে এই অধিকাৰ ক'ত পালে? পৃথিৱীৰ ভিতৰত ভাৰততেই সন্তান জন্মৰ সময়ত মহিলাৰ মৃত্যুৰ হাৰ বেছি। প্ৰত্যেক ১০ মিনিটত সন্তান জন্ম দিবলৈ গৈ ভাৰতত এগৰাকী মহিলাৰ মৃত্যু হয়। আমাৰ দেশত দিনে অতিকমেও ১৩৭গৰাকী নাৰীয়ে অকাল মৃত্যুক সাবটি লয় সন্তান জন্ম দিবলৈ গৈ। বছৰি ১৭% মহিলাই তথা ৫০,০০০গৰাকী মহিলাৰ প্ৰসূতি সংক্ৰান্তীয় বিভিন্ন ৰোগত মৃত্যু হয়। অসমৰ কথা বাদেই দিয়া হ'ল, অসমত এই হাৰ ৭০%ৰো ওপৰত। এওঁলোকৰ সৰহসংখ্যকৰেই ৰক্তহীনতা তথা পুষ্টিহীনতাৰ বাবেই মৃত্যু হয়। আমাৰ দেশত ১৫ বছৰৰ পৰা ৫৫ বছৰৰ ভিতৰত ৬০% মহিলা ৰক্তহীনতা ৰোগত ভোগে। তদুপৰি নিৰক্ষৰতা, কম বয়সত সন্তান জন্ম দিবৰ বাবে যিখিনি প্ৰয়োজনীয় জ্ঞানৰ দৰকাৰ সেই বিষয়ে অজ্ঞতা, চাফ-চিকুণতাৰ অভাৱ, সমাজৰ কিছুমান এলান্ধুকলীয়া অন্ধবিশ্বাস আদিৰ বাবেই মহিলাসকলৰ মৃত্যু হয়। ৰিপ'ৰ্ট অনুসৰি ২০১৬ চনত ৩২০ গৰাকী প্ৰসূতিয়ে পৰোক্ষভাৱে এইচ আই ভিৰ বাবে মৃত্যুক সাবটি লয়। তদুপৰি মেলেৰিয়া, ডেংগু আদিৰ বাবেও প্ৰসূতিসকল অকাল মৃত্যুৰ কবলত পৰে। বিহাৰ, উত্তৰ প্ৰদেশ আদি ৰাজ্যত প্ৰসূতিৰ মৃত্যুৰ হাৰ দেশৰ ভিতৰতে অধিক। জনসংখ্যাৰ দিশৰ পৰা সৰ্ববৃহৎ দেশ চীনত ২০১৬ চনত মাত্ৰ ৫,৯০০গৰাকী প্ৰসূতিৰহে মৃত্যু হৈছিল।

সেয়া কেৱল এটা সন্তানহে জন্ম দিব পৰা নীতিৰ বাবেই সম্ভৱ হৈছে বুলি বিশেষজ্ঞসকলে উল্লেখ কৰিছে। অথচ আমাৰ দেশত তাৰ সম্পূৰ্ণ ওলোটা নীতিহে পালন কৰা হয়। প্ৰসূতি এগৰাকীৰ গৰ্ভত থকা সন্তান কাইলৈ দেশৰ ভৱিষ্যৎ। মাতৃগৰাকীয়েই যদি ৰক্তহীনতা, পুষ্টিহীনতা, প্ৰয়োজনীয় জ্ঞানৰ অভাৱত পৰে, তেওঁ কেনেকৈ এটা সুস্থ-সবল সন্তান জন্ম দিবলৈ সক্ষম হ'ব? নাৰীৰ ক্ষেত্ৰত ল'বলগীয়া প্ৰয়োজনীয়তাখিনি গ্ৰহণ নকৰি নাৰী এগৰাকীক চাৰিটাকৈ সন্তান জন্ম দিবলৈ আহ্বান কৰাসকল যে নাৰী জাতিৰ ঘোৰ শত্ৰু সেয়া সহজেই বোধগম্য হয়। তদুপৰি অত্যধিক সন্তান জন্মই ভাৰতৰ দৰে দৰিদ্ৰ এখন দেশৰ অৰ্থনৈতিক অৱস্থা কেনেকুৱা অৱস্থালৈ লৈ যাব পাৰে সেয়া ভাবিলেই ভয় লগা কথা। নাৰী জাতিৰ ওপৰত হৈ থকা এই অন্যায়-অনীতি ৰোধ কৰিবলৈ হয়তো নাৰী জাতিয়ে এদিন দুৰ্গা গোসাঁনীৰ ৰূপ ল'ব লাগিব, নহ'লে 'ফাট মেলা বসুমতী পাতালে লুকাওঁ' অৱস্থা হ'ব এদিন।

## লেখনি আহ্বান

অসমৰ সংবাদ মাধ্যমত পৰিচিত বিশিষ্ট চিন্তাবিদ, বুদ্ধিজীৱীসকলৰ বহুমূলীয়া লেখাৰ লগতে 'আমি অসমৰ জনগণ'ৰ পাতত নতুন প্ৰজন্মৰ লেখক-লেখিকাসকলৰ চিন্তা প্ৰকাশৰ বাবে এক মঞ্চ দিবলৈ প্ৰয়াস কৰা হৈছে। নতুন লেখক-লেখিকাসকলক লেখা প্ৰেৰণ কৰিবলৈ আহ্বান জনালো।

বিভাগীয় সম্পাদক
ফোন ঃ ০৩৬১-২২০৩০৭৯, ৮৭৬১০৪৩২৮৮
ই-মেইল ঃ
editoraamiasomorjanagan@gmail.com